Total No. of printed pages = 19

ROYAL SCHOOL OF COMMERCE GUWAHATI

4 (Sem-3) COAC

2016

# CORPORATE ACCOUNTING

Paper : 303

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

Answer either in English or in Assamese.

ইংৰাজী অথবা অসমীয়াত উত্তৰ লিখিবা।

1. Answer as directed : 1×10=10

নিৰ্দেশানুসাৰে উত্তৰ দিয়া ঃ

(a) Capital profits are not earned during the normal course of the business. (State whether the statement is true or false)

ব্যৱসায় এটাৰ সাধাৰণ কাৰ্যপ্ৰণালীৰ দ্বাৰা মূলধনীয় আয় আৰ্জিত নহয়। (উক্তিটো সত্য নে অসত্য লিখা)

(b) Premium on issue of shares can be used for (Choose the correct option)

অংশপত্ৰ বিক্ৰীৰ পৰা প্ৰাপ্ত অধিহাৰ নিম্নলিখিত কোনটো কাৰণত ব্যৱহাৰ কৰিব পাৰি ? (সঠিক উত্তৰ নিৰ্বাচন কৰা)

(i) issue of bonus share

বানচ অংশপত্ৰ বিতৰণ

[Turn over

(ii) distribution of profits

লাভৰ বিতৰণ

(iii) transferring to general reserve

সাধাৰণ পুঁজিলৈ স্থানান্তৰ

(iv) issue of preference shares

অগ্ৰাধিকাৰযুক্ত অংশপত্ৰ বিতৰণ

(c) —— is an account in which a specified percentage of total consideration payable for buy-back is deposited. (Fill in the blank)

অংশপত্ৰ পুনৰ ক্ৰয়ৰ ক্ষেত্ৰত পৰিশোধনীয় ক্ৰয়-প্ৰতিদানৰ এটা নিৰ্দিষ্ট হাৰ —— হিচাপত জমা কৰা হয়। (খালী ঠাই পূৰণ কৰা)

(d) Right shares are those shares which are : (Choose the correct option)

নিম্নোক্ত কোনটো বিকল্প অধিকাৰযুক্ত অংশপত্ৰৰ বাবে সত্য ? (সঠিক উত্তৰ নিৰ্বাচন কৰা)

(i) first offered to the creditors of the company.

এই অংশপত্ৰ প্ৰথমে কোম্পানীৰ দেনাদাৰক দিয়া হয়।



(ii) first offered to the existing shareholders of the company.

এই অংশপত্ৰ প্ৰথমে কোম্পানীৰ বৰ্তমান অংশপত্ৰ ধাৰকসকলক দিয়া হয়।

(iii) first offered to the employees of the company.

এই অংশপত্ৰ প্ৰথমে কোম্পানীৰ কৰ্মচাৰীসকলক দিয়া হয়।

(iv) issued by a newly formed company.

নতুনকৈ গঠিত হোৱা কোম্পানীয়ে বিলি কৰা অংশপত্ৰ।

(e) AS-14 deals in : (Choose the correct option)

AS-14 নিম্নলিখিত কোনটোৰ ওপৰত প্ৰযোজ্য ? (সঠিক উত্তৰ নিৰ্বাচন কৰা)

(i) presentation of financial statements

বিত্তীয় বিবৃতি উপস্থাপন

(ii) buy-back of shares

অংশপত্ৰ পুনৰ ক্ৰয়কৰণ

(iii) issue of debentures

ঋণপত্ৰ বিলিকৰণ

(iv) amalgamation of companies.

কোম্পানীৰ সংযুক্তিকৰণ

(f) Purchase of own debentures from the open market must be authorised by the : (Choose the correct option)

খোলা বজাৰৰ পৰা নিজৰ ঋণপত্ৰ নিজেই ক্ৰয় কৰিবলৈ হ'লে নিম্নোক্ত কোনটোৰ পৰা অনুমোদন ল'ব লাগে ? (সঠিক উত্তৰ নিৰ্বাচন কৰা)

(i) Articles of Association

আভ্যন্তৰীণ লিপি

(ii) Memorandum of Association

স্মাৰক লিপি

(iii) Board of Directors Meeting

সঞ্চালকৰ সভা

(iv) Annual General Meeting

বাৰ্ষিক সাধাৰণ সভা

(g) At the time of repayment of capital, preference is given to : (Choose the correct option)

মূলধন পৰিশোধনৰ ক্ষেত্ৰত নিম্নোক্ত সকলৰ ভিতৰত কাক অগ্ৰাধিকাৰ দিয়া হয় ? (সঠিক উত্তৰ নিৰ্বাচন কৰা)

(i) equity sharcholders

সমাংশপত্ৰ ধাৰকসকলক

(ii) preference shareholders

অগ্ৰাধিকাৰযুক্ত অংশপত্ৰ ধাৰকসকলক

(iii) debenture holders

ঋণপত্ৰ ধাৰকসকলক



(iv) trade creditors.

বেপাৰ সংক্ৰান্তিয় পাওনাদাৰ সকলক।

(h) Transferor company is the company which is amalgamated into another company. (State true or false)

হস্তান্তৰকাৰী কোম্পানী বুলিলে সেইটোকে বুজায় যিটো আন এটা কোম্পানীৰ লগত সংযুক্ত হৈছে। (উক্তিটো সত্য নে অসত্য লিখা)

(i) State the meaning of cum-interest quotation.

সুদযুক্ত উদ্ধৃত মূল্যৰ অৰ্থ উল্লেখ কৰা।

(j) In case of amalgamation of companies, accumulated losses in the books of vendor company should be transferred to : (Choose the correct option)

কোম্পানীৰ সংযুক্তিকৰণৰ ক্ষেত্ৰত বিক্ৰীকাৰী কোম্পানীৰ বহীত জমা হৈ থকা লোকচানৰ অংক নিম্নোক্ত কোনটোত স্থানান্তৰ কৰা হয় ?

(i) shareholders account

অংশপত্ৰ ধাৰকসকলৰ হিচাপত

(ii) both shareholders account and debenture holders account

অংশপত্ৰ ধাৰকসকলৰ আৰু ঋণপত্ৰ ধাৰকসকলৰ উভয়ৰে হিচাপত

(iii) general reserve account

সাধাৰণ পুঁজিৰ হিচাপত

(iv) both (i) and (iii)

(i) আৰু (iii) উভয়তে

2. Answer the following questions within 15-20 words each : 2×5=10

তলত দিয়া প্ৰশ্নবোৰৰ 15-20টা শব্দৰ ভিতৰত প্ৰতিটোৰ উত্তৰ লিখা ঃ

(a) State the meaning of 'Trade Payables' in preparing the final accounts of a company.

কোম্পানীৰ চূড়ান্ত হিচাপ প্ৰস্তুত কৰোতে 'বেপাৰ সম্পৰ্কত পৰিশোধনীয়'ৰ অৰ্থ উল্লেখ কৰা।

(b) Name any two types of companies which are exempted from preparing final accounts as per Companies Act, 2013.

যি কোনো দুই প্ৰকাৰৰ কোম্পানীৰ নাম লিখা, যিবোৰে নিজৰ চূড়ান্ত হিচাপ 2013 চনৰ কোম্পানীৰ আইন অনুসৰি প্ৰস্তুত কৰাৰ পৰা ৰেহাই পাইছে।

(c) What is meant by Share Appreciation Rights ?

অংশপত্ৰ বৰ্দ্ধিষ্ণু অধিকাৰ বুলিলে কি বুজায় ?



(d) Pass the journal entry for issue of debenture at par and redeemable at discount with imaginary figures.

সমমূল্যত ঋণপত্ৰ বিলিকৰণ আৰু বাট্টাত ইয়াৰ পৰিশোধনৰ বাবে কাল্পনিক সংখ্যাৰে জাবেদা প্ৰবিষ্টি দিয়া ।

(e) What are the different types of amalgamation from accounting point of view ?

হিচাপীয় ব্যৱস্থাৰ দৃষ্টিভংগীৰ পৰা সংযুক্তিকৰণৰ বিভিন্ন প্ৰকাৰ কি কি ?

3. Answer any *four* of the following questions in about 50 words each : 5×4=20

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ 50টা মানকৈ শব্দৰ ভিতৰত লিখা ঃ

(a) Differentiate between bonus shares and right shares.

বোনাচ অংশপত্ৰ আৰু অধিকাৰযুক্ত অংশপত্ৰৰ মাজত থকা পাৰ্থক্যবোৰ দেখুওৱা।

(b) What are the duties of a company after buy back of its shares ?

নিজৰ অংশপত্ৰ পুনৰ ক্ৰয় কৰাৰ পৰৱৰ্তী কালছোৱাত কোম্পানী এটাৰ কৰ্তব্য কি কি ?

(c) Show the accounting treatment for issue of debentures as collateral security with imaginary figures.

সম্পৃক্ত প্ৰতিভূতি হিচাপে ঋণপত্ৰ বিলিকৰণৰ বাবে কাল্পনিক সংখ্যাৰ সহায়েৰে হিচাপীয় ব্যৱস্থা দেখুওৱা।

(d) Determine the amount of purchase consideration for amalgamation and also show how it is discharged by Sima Ltd. from the following information :

Riya Ltd. is taken over by Sima Ltd. with the condition that Rs. 1,90,000 be paid in cash to the shareholders of Riya Ltd. and the balance of purchase consideration by issue of shares of Rs. 10 each at Rs. 20 per share. The assets and liabilities of Riya Ltd. is valued at Rs. 15,00,000 and Rs. 11,00,000 respectively.

নিম্নোক্ত তথ্যৰ পৰা সংযুক্তিকৰণৰ বাবে প্ৰদেয় মূল্য নিৰ্ণয় কৰা আৰু লগতে সীমা লিমিটেডে এয়া কেনেকৈ পৰিশোধ কৰিব দেখুওৱা।

সীমা লিমিটেডে ৰিয়া লিমিটেডক অধিগ্ৰহণ কৰে আৰু তলত দিয়া ধৰণে প্ৰদেয় মূল্য পৰিশোধ কৰিবলৈ মান্তি হয়।

ৰিয়া লিমিটেডৰ অংশপত্ৰ ধাৰকসকলক 1,90,000 টকা আৰু অবশিষ্ট প্ৰদেয় মূল্য প্ৰতিটো 10 টকা মূল্যৰ অংশপত্ৰ 20 টকা মূল্যত বিলি কৰি। ৰিয়া লিমিটেডৰ সম্পত্তি আৰু দেনাৰ পৰিমাণ আছিল যথাক্ৰমে 15,00,000 টকা আৰু 11,00,000 টকা।



(e) On 1.4.2016, 10,000, 10% debentures of Rs. 100 each are issued at a premium of 10% repayable after 5 years at a premium of 10%. Pass journal entry on the date of issue in the books of the company.

1.4.2016 তাৰিখে 10,000টা 100 টকীয়া 10% ঋণপত্ৰ 10% অধিহাৰত বিলি কৰা হ'ল আৰু এই ঋণপত্ৰসমূহ পাঁচ বছৰৰ অন্তত 10% অধিহাৰত পৰিশোধনীয় হ'ব। ঋণপত্ৰ বিলি কৰা তাৰিখত কোম্পানীৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া।

(f) The following is the extract of Trial Balance of Alin Ltd. as on 31.3.2016 :

এলিন লিমিটেডৰ 31.3.2016 তাৰিখৰ উদ্বৃত্তপত্ৰৰ অংশবিশেষ তলত দিয়া হ'ল ঃ

| | Rs. (টকা) |
|---|---|
| Sales (বিক্ৰী) | 6,70,000 |
| Opening stock<br>আৰম্ভণি মজুত পণ্য | 1,45,000 |
| Selling expenses<br>বিক্ৰীৰ বাবদ ব্যয় | 79,000 |
| Directors' remuneration<br>সঞ্চালকৰ মাননী | 10,000 |
| Furniture<br>আচবাবপত্ৰ | 10,000 |

| | Rs. (টকা) |
|---|---|
| Cash in hand<br>হাতত নগদ ধন | 15,000 |
| Purchases<br>ক্ৰয় | 4,90,000 |
| Salaries and wages<br>দৰমহা আৰু মজুৰী | 42,000 |
| Audit fees<br>হিচাপ পৰীক্ষণ মাচুল | 8,000 |
| Trade debtors<br>বেপাৰ সংক্ৰান্তীয় দেনাদাৰ | 7,000 |
| Interest on bank overdraft<br>বেংকৰ পৰা অধিক আহৰণৰ ওপৰত সুদ | 14,000 |
| Discount on issue of debentures<br>ঋণপত্ৰ বিলি ক্ষেত্ৰত বাট্টা | 2,000 |
| Dividend received<br>প্ৰাপ্ত লাভাংশ | 16,000 |
| Bad debts<br>অনুদ্ধাৰণীয় ঋণ | 800 |
| Depreciation<br>অৱক্ষয় | 3,500 |



Prepare a Statement of Profit and Loss after considering the following :

তলত দিয়াসমূহ বিবেচনা কৰি এখন লাভ লোকচানৰ বিবৃতি প্ৰস্তুত কৰা ঃ

(i) Closing stock was valued at Rs. 1,40,000 (Market price Rs. 1,42,000)

সামৰণী মজুত পণ্য 1,40,000 টকাত মূল্যায়ন কৰা হৈছে। (বজাৰ মূল্য 1,42,000 টকা)

(ii) Purchases include Rs. 5,000 worth of goods distributed free among valued customers.

আদৰণীয় গ্ৰাহকক বিনামূলীয়াকৈ বিতৰণ কৰা 5,000 টকাৰ সামগ্ৰী ক্ৰয়ৰ ভিতৰত অন্তৰ্ভুক্ত হৈ আছে।

4. Answer the following questions : 10×4=40

নিম্নোক্ত প্ৰশ্নৰ উত্তৰ দিয়া ঃ

(a) From the following balances of Jairampur Ltd. as on 31st March, 2016, prepare a Balance Sheet as per Companies Act, 2013 :

3.3.2016 তাৰিখত থকা নিম্নোক্ত উদ্বৃত্তৰ পৰা 2013 চনৰ কোম্পানী আইন অনুসৰি জয়ৰামপুৰ লিমিটেডৰ উদ্বৃত্ত স্থিতিপত্ৰ প্ৰস্তুত কৰা ঃ

| | Amount (Rs.) টকা |
|---|---|
| Term loan<br>ম্যাদী ঋণ | 10,00,000 |
| Trade creditors<br>বেপাৰ সংক্রান্তীয় পাওনাদাৰ | 11,45,000 |
| Cash balance<br>হাতত নগদ ধন | 2,75,000 |
| Loose tools<br>খুচুৰা যন্ত্রপাতি | 50,000 |
| Investments<br>বিনিয়োগ | 5,25,200 |
| Provision for taxation<br>কৰৰ বাবে পুঁজি সংৰক্ষণ | 1,70,000 |
| Securities premium<br>প্রতিভূতিৰ অধিহাৰ | 4,75,000 |
| Loans from debtors<br>দেনাদাৰৰ পৰা লোৱা ঋণ | 2,00,000 |
| General reserve<br>সাধাৰণ পুঁজি | 20,50,000 |
| Equity share capital<br>সমাংশ মূলধন | 13,73,000 |



| | Amount (Rs.) টকা |
|---|---|
| Debtors<br>দেনাদাৰ | 12,04,800 |
| Stores<br>মজুতকৃত সামগ্রী | 4,00,000 |
| Fixed assets<br>স্থায়ী সম্পত্তি | 41,50,000 |
| Finished goods<br>উৎপাদিত সামগ্রী | 7,50,000 |
| Capital work-in-progress<br>অগ্রগতি লভা মূলধনীয় কার্য | 2,58,000 |
| Preference share capital<br>অগ্রাধিকাৰযুক্ত অংশপত্র | 3,00,000 |
| Debentures<br>ঋণপত্র | 9,00,000 |

(b) Discuss the procedure of issuing right shares by a company.

কোম্পানী এটাৰ দ্বাৰা হোৱা অধিকাৰযুক্ত অংশপত্র বিলিকৰণৰ প্রক্রিয়াৰ বিষয়ে আলোচনা কৰা।

Or / অথবা

Naina Ltd. decided to make a rights issue in the proportion of one new share of Rs. 200 each at a premium of Rs. 50 each to the shareholders for every three existing shares. The market value of the shares at the time of announcement of rights issue is Rs. 500 each. Calculate the value of right and ex-right value of a share.

নেইনা লিমিটেডে প্ৰতিটো 200 টকাকৈ অংশপত্ৰ প্ৰতিটো 50 টকা অধিহাৰত ইয়াৰ বৰ্তমান অংশপত্ৰ ধাৰকসকলক অধিকাৰযুক্ত অংশপত্ৰ বিলিকৰণৰ সিদ্ধান্ত ল'লে আৰু সেই মৰ্মে 3টা বৰ্তমান অংশপত্ৰৰ বিনিময়ত এটাকৈ অংশপত্ৰ দিয়া হ'ব। এনে ঘোষণাৰ কালত এই ধৰণৰ অংশপত্ৰৰ বজাৰ মূল্য হয় 500 টকা। অধিকাৰৰ মূল্য আৰু অধিকাৰ নথকা অংশপত্ৰৰ মূল্য নিৰ্ণয় কৰা।

(c) Discuss the provisions of AS-14 relating to accounting treatment of amalgamation in the books of the transferee company.

হিচাপীয় পৰিমাপ-14 অনুসৰি সংযুক্তিকৰণৰ ক্ষেত্ৰত হস্তান্তৰিত কোম্পানীৰ বহীত হিচাপীয় ব্যৱস্থা আলোচনা কৰা।

Or / অথবা

Pradip Ltd. and Bikash Ltd. were amalgamated and from 1st April, 2016, a new company Prakash Ltd. was formed to take over the business of existing companies. The assets



and liabilities balances of Pradip Ltd. and Bikash Ltd. as on 31st March, 2016 are given below :

1. 4. 2016 তাৰিখত প্ৰদীপ লিমিটেড আৰু বিকাশ লিমিটেড নামৰ কোম্পানী দুটাৰ সংযুক্তিকৰণ হয়। এই দুয়োটা কোম্পানীৰ ব্যৱসায় অধিগ্ৰহণৰ বাবে এটা নতুন কোম্পানী প্ৰকাশ লিমিটেডৰ গঠন হয়। 31. 3. 2016 তাৰিখত কোম্পানী দুটাৰ সম্পত্তি আৰু দেনাৰ স্থিতি নিম্নোক্ত ভাৱে আছিল ঃ

| **Liabilities** (দেনা) | Pradip Ltd. প্ৰদীপ লিমিটেড Amount (Rs.) টকা | Bikash Ltd. বিকাশ লিমিটেড Amount (Rs.) টকা |
|---|---|---|
| Share Capital (অংশ মূলধন) ঃ | | |
| Equity shares of Rs. 10 each<br>10 টকীয়া সমাংশপত্ৰ | 2,400 | 1,600 |
| 12% Preference shares Rs. 100 each<br>100 টকীয়া অগ্ৰাধিকাৰযুক্ত অংশপত্ৰ | 1,200 | 800 |

| Liabilities (দেনা) | Pradip Ltd. প্ৰদীপ লিমিটেড Amount (Rs.) টকা | Bikash Ltd. বিকাশ লিমিটেড Amount (Rs.) টকা |
|---|---|---|
| Reserves and Surplus : পুঁজি আৰু ৰাহি | | |
| Capital reserve মূলধনীয় পুঁজি | 800 | 600 |
| General reserve সাধাৰণ পুঁজি | 1,200 | 600 |
| Profit and Loss A/c লাভ-লোকচান হিচাপ | 400 | 200 |
| Secured loans জামিনযুক্ত ঋণ | 1,600 | 800 |
| Creditors পাওনাদাৰ | 1,200 | 400 |
| Tax provision কৰৰ বাবে পুঁজি সংৰক্ষণ | 800 | 200 |
| | 9,600 | 5,200 |
| **Assets (সম্পত্তি)** | | |
| Fixed assets স্থায়ী সম্পত্তি | 4,800 | 3,200 |
| Less : Depreciation বাদ ঃ অৰক্ষয় | 800 | 600 |
| | 4,000 | 2,600 |



| Assets (সম্পত্তি) | Pradip Ltd. প্ৰদীপ লিমিটেড Amount (Rs.) টকা | Bikash Ltd. বিকাশ লিমিটেড Amount (Rs.) টকা |
|---|---|---|
| Investments বিনিয়োগ | 1,600 | 600 |
| Current assets : (চলিত সম্পত্তি) | | |
| Stock মজুত পণ্য | 1,200 | 600 |
| Debtors দেনাদাৰ | 1,600 | 800 |
| Cash and bank balance নগদ আৰু বেংকত থকা উদ্বৃত্ত | 1,200 | 600 |
| | 9,600 | 5,200 |

Additional information :

অতিৰিক্ত তথ্য ঃ

(i) Preference shareholders of the two companies are issued equivalent number of 15% preference shares of Prakash Ltd. at an issue price of Rs. 125 per share.

কোম্পানী দুটাৰ অগ্ৰাধিকাৰযুক্ত অংশপত্ৰ ধাৰকসকলক, প্ৰকাশ লিমিটেডৰ 15% অগ্ৰাধিকাৰযুক্ত অংশপত্ৰ, প্ৰতিটো অংশপত্ৰ 125 টকাকৈ দিয়া হ'ল।

(ii) Prakash Ltd. will issue one equity share of Rs. 10 each for every share of Pradip Ltd. and Bikash Ltd. The shares are issued at a premium of Rs. 5 per share. Prepare the Balance Sheet of Prakash Ltd. on the assumption that the amalgamation is in the nature of merger.

প্ৰদীপ লিমিটেডক আৰু বিকাশ লিমিটেডক, প্ৰকাশ লিমিটেডে প্ৰতিটো অংশপত্ৰৰ বাবদ 10 টকীয়া এটা সমাংশপত্ৰ দিয়া হ'ব। অংশপত্ৰখিনি 5 টকাকৈ অধিহাৰত বিলিকৰণ হ'ল। চামিলকৰণ প্ৰক্ৰিয়া সংযুক্তিকৰণ প্ৰকৃতিৰ বুলি ধৰিলে প্ৰকাশ লিমিটেড কোম্পানীৰ বহীত উদ্বৃত্তপত্ৰ প্ৰস্তুত কৰা।

(d) Explain the methods of redemption of debentures. 10

ঋণপত্ৰ পৰিশোধৰ পদ্ধতিসমূহ ব্যাখ্যা কৰা।

Or / অথবা

(i) Write a note on the sources of finance for redemption of debentures. 5

ঋণপত্ৰ পৰিশোধনৰ বাবে সম্ভাব্য বিত্তৰ উৎসসমূহৰ বিষয়ে এটা টোকা লিখা।



(ii) On 1.4.2014 Harshita Ltd. issued 8,000, 10% debentures of Rs. 100 each at a discount of 5% with the condition that these will be redeemed at a premium of 10% on 31.3.2016 wholly out of profits. Pass necessary journal entries for the issue and redemption of these debentures. 5

1.4.2014 তাৰিখত হৰ্ষিতা লিমিটেডে প্ৰতিটো 100 টকাৰ 8,000টা 10% ঋণপত্ৰ, 5% বাট্টাত এনে এটা চৰ্ত্ত বিলি কৰে যে এই ঋণপত্ৰবোৰ 10% অধিহাৰত সম্পূৰ্ণ ভাৱে লাভৰ পৰা 31.3.2016 তাৰিখে পৰিশোধ কৰা হ'ব। ঋণপত্ৰ বিলিকৰণ আৰু পৰিশোধনৰ জাবেদা প্ৰবিষ্টি দিয়া।